# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 03-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। পাঁচখন ৰাষ্ট্ৰ ভ্ৰমণেৰে ৰাওনা হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী যোৱা নিশা ঘানাৰ আক্ৰাত উপস্থিত হৈছে।

২। আমেৰিকাৰ সৈতে ভাৰতৰ দ্বিপাক্ষিক সম্পৰ্কত পাকিস্তানে কোনোধৰণৰ প্ৰভাৱ নেপেলায় বুলি ৱাশ্বিংটনত এখন সংবাদমেলত ভাষণ দি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে প্ৰকাশ কৰে।

৩। কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত আজি আনুষ্ঠানিকভাৱে বাৰ্ষিক ৩৮ দিনীয়া শ্ৰীঅমৰনাথ যাত্ৰা আৰম্ভ হ'ব। ***আৰু***

৪। অধিনায়ক শুভমন গিলৰ শতৰানৰ সহায়ত ভাৰতে কালি প্ৰথম দিনা ৫ উইকেটৰ বিনিময়ত ইংলেণ্ডৰ বিৰুদ্ধে ৩১০ ৰান সংগ্ৰহ কৰে।

০০০০০

পাঁচখন ৰাষ্ট্ৰ ভ্ৰমণেৰে ৰাওনা হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী যোৱা নিশা ঘানাৰ আক্ৰাত উপস্থিত হৈছে। ঘানাৰ ৰাষ্ট্ৰপতি জন দ্ৰামানী মহামাই প্ৰধানমন্ত্ৰীগৰাকীক দেশখনলৈ আদৰণি জনায়। প্ৰধানমন্ত্ৰীগৰাকীয়ে ঘানাৰ নেতা তথা প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠকত মিলিত হয় আৰু দুয়োখন দেশৰ মাজত অংশীদাৰিত্ব সুদৃঢ় কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁ কয়, যে সংহত অংশীদাৰিত্বৰ বাবে দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ বাবে ঘানাৰ ৰাষ্ট্ৰপতিয়ে সন্মতি প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী শ্ৰীমোদী আজি নিশা ট্ৰিনিদাদ আৰু টবেগ'ত উপস্থিত হ'ব। তাত তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি ক্ৰিষ্টাইন কাৰলা কাংগালো আৰু প্ৰধানমন্ত্ৰী কমলা প্ৰসাদ বিছেছৰৰ সৈতে বৈঠকত মিলিত হ'ব। এই বৈঠকত দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ বাবে আলোচনা কৰা হ'ব। আকাশবাণীৰ সৈতে হোৱা এটা আছুতীয়া সাক্ষাৎকাৰত ট্ৰিনিদাদ আৰু টবেগ'ৰ ভাৰতৰ উচ্চায়ুক্ত ড০ ৰাজপুৰোহিত কয়, যে প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে কেৱল প্ৰৱাসী ভাৰতীয়ৰ লগতে সকলো লোককে উৎসাহিত কৰিছে। এই ভ্ৰমণে দেশখনৰ সৈতে থকা ভাৰতৰ প্ৰাচীন সম্পৰ্ক পুনৰ উজ্জীৱিত কৰি তোলাৰ সুযোগ প্ৰদান কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে আশা কৰিছে। ট্ৰিনিদাদ আৰু টবেগ'ৰ পৰা শ্ৰীমোদী আৰ্জেণ্টিনালৈ যাব। এয়া হ'ব বিগত ৫৭ বছৰত কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম আৰ্জেণ্টিনা ভ্ৰমণ। ভ্ৰমণকালত শ্ৰীমোদীয়ে আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰপতি জাভিয়েৰ মাইলৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

ব্ৰাজিলত শ্ৰীমোদীয়ে ছয় আৰু সাত জুলাইত ৰিঅ' ডি জেনেৰিঅ'ত হ'বলগীয়া ব্ৰীকছ্ শীৰ্ষ সন্মিলনত ভাগ ল'ব। ব্ৰীকছ্ শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ সুযোগতে শ্ৰীমোদীয়ে কেইবাখনো দেশৰ নেতৃবৰ্গক দেখা কৰিব। তেওঁ দ্বিপাক্ষিক আনুষ্ঠানিক ভ্ৰমণসূচীৰে ব্ৰাচিলীয়ালৈ যাব। এয়া হ'ব বিগত ছটা দশকত কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম ব্ৰাচিলীয়া ভ্ৰমণ। এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ ঘনিষ্ঠ সম্বন্ধ অধিক সুদৃঢ়

কৰাৰ আৰু গ্ল’বেল চাউথৰ অগ্ৰাধিকাৰৰ বিষয়সমূহ আগবঢ়াই নিয়াৰ বাবে ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইচ এনাচিঅ’ লুলা দি চিলভাৰ সৈতে আলোচনা কৰাৰ সুযোগ প্ৰদান কৰিব।

ভ্ৰমণৰ অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী নামিবিয়াত উপস্থিত হ’ব। তাত তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি ড০ নিতম্বো নন্দী নডেটৱাৰ সৈতে বিভিন্ন ক্ষেত্ৰত লাভদায়ক সহযোগিতা সম্পৰ্কে আলোচনা কৰিব। নামিবিয়া ভাৰতৰ নিৰ্ভৰযোগ্য সহযোগী বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে দুয়োখন দেশে ঔপনিবেশিকবাদৰ বিৰুদ্ধে ঐতিহাসিক সংঘৰ্ষত ব্ৰতী হৈছিল। শ্ৰীমোদীয়ে নামিবিয়াৰ সংসদৰ যুটিয়া অধিবেশনতো ভাষণ দিব।

০০০০০

আমেৰিকাৰ সৈতে ভাৰতৰ দ্বিপাক্ষিক সম্পৰ্কত পাকিস্তানে কোনোধৰণৰ প্ৰভাৱ নেপেলায় বুলি ৱাশ্বিংটনত এখন সংবাদমেলত ভাষণ দি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে প্ৰকাশ কৰে। ভাৰত আৰু আমেৰিকাৰ দ্বিপাক্ষিক সম্পৰ্ক কোনো তৃতীয় দেশৰ প্ৰভাৱত নহয় বৰঞ্চ পাৰস্পৰিক স্বাৰ্থৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠা বুলি শ্ৰীজয়শংকৰে মন্তব্য কৰে। তেওঁ লগতে কয়, যে আনৰ প্ৰভাৱত আমি আমাক সংজ্ঞাবদ্ধ কৰিব নালাগে আৰু ভাৰত আমেৰিকাৰ দৰে সুদৃঢ় দ্বিপাক্ষিক সম্পৰ্কসমূহ বাণিজ্য, পাৰস্পৰিক সা-সুবিধা, বিনিয়োগ, প্ৰযুক্তি, শক্তি আৰু গতিশীলতাৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠে। ড০ এছ্ জয়শংকৰে অপাৰেচন সিন্দূৰৰ পাছত ভাৰত আৰু পাকিস্তানৰ মাজৰ যুদ্ধবিৰতিত সহায় কৰা বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পৰ দাবীকো নাকচ কৰে। তেওঁ কয়, যে এই যুদ্ধ বিৰতিৰ আলোচনা পোনপটীয়াকৈ দুয়োখন দেশৰ সামৰিক বিষয়াইহে কৰিছিল। এই ভ্ৰমণ সময়ত শ্ৰীজয়শংকৰে আমেৰিকাৰ বিদেশ মন্ত্ৰী মাৰ্কো ৰুবিঅ’ আৰু অষ্ট্ৰেলিয়া আৰু জাপানৰ বৈদেশিক মন্ত্ৰীসকলৰ সৈতে কোৱাডৰ বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত পাকিস্তানস্থিত এটা সন্ত্ৰাসবাদী সংগঠনে সংঘটিত কৰা পেহেলগাম হত্যাকাণ্ডক গৰিহণা দিয়ে। ড০ এছ্ জয়শংকৰে মাৰ্কো ৰুবিঅ’ আৰু আমেৰিকাৰ প্ৰতিৰক্ষা সচিব পিট হেগছেথৰ সৈতেও পৃথক বৈঠকত মিলিত হৈ প্ৰতিৰক্ষা, বাণিজ্য আৰু শক্তিৰ ক্ষেত্ৰত সহযোগিতাৰ বিষয়ে আলোচনা কৰে।

০০০০০

অহা ২১ জুলাইৰ পৰা সংসদৰ বৰ্ষাকালীন অধিৱেশন আৰম্ভ হ’ব। স্বাধীনতা দিৱসৰ উদযাপনৰ প্ৰতি লক্ষ্য ৰাখি ১৩ আৰু ১৪ আগষ্টত কোনো বৈঠক অনুষ্ঠিত নহয়। কালি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ বৰ্ষাকালীন অধিৱেশন সন্দৰ্ভত চৰকাৰৰ আহ্বানত অনুমোদন জনায়। অহা ২১ আগষ্টত বৰ্ষাকালীন অধিৱেশনৰ সামৰণি পৰিব।

০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি হাৰিয়ানাৰ মানেচৰত আন্তঃৰাষ্ট্ৰীয় যান-বাহন প্ৰযুক্তি কেন্দ্ৰত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ নগৰীয়া স্থানীয় নিকায়সমূহৰ অধ্যক্ষসকলৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ এখন সন্মিলন মুকলি কৰিব। দুদিনীয়া এই সন্মিলনৰ বিষয়বস্তু হৈছে-- ৰাষ্ট্ৰ গঠন আৰু সাংবিধানিক গণতন্ত্ৰ শক্তিশালী কৰাৰ ক্ষেত্ৰত নগৰীয়া স্থানীয় নিকায়সমূহৰ ভূমিকা। গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহ শক্তিশালী কৰাৰ লগতে সাম্প্ৰতিক যুগত নগৰীয়া শাসন ব্যৱস্থাৰ উদ্ভাৱনীমূলক দিশসমূহত আলোকপাত কৰাই এই সন্মিলনৰ মূল উদ্দেশ্য।

০০০০০

কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত দক্ষিণ কাশ্মীৰৰ পেহেলগাম আৰু মধ্য কাশ্মীৰৰ গান্দেৰবাল জিলাৰ উমৈহতীয়া পথটোৰ পৰা আজি আনুষ্ঠানিকভাৱে বাৰ্ষিক ৩৮ দিনীয়া শ্ৰীঅমৰনাথ যাত্ৰা আৰম্ভ হ'ব। বৰফৰ দৰে গঠিত শিৱলিংগৰ দৰে এটা আকৃতিৰ বাবে অমৰনাথৰ পবিত্ৰ গুহা পৰিচিত। এই গুহাটো হিমালয়ৰ কাশ্মীৰৰ প্ৰায় ১২ হাজাৰ ৮৫৬ ফুট উচ্চতাত অৱস্থিত। শ্ৰীনগৰ-জম্মু ৰাষ্ট্ৰীয় ঘাইপথৰ মাজেৰে প্ৰায় ৩ হাজাৰ তীৰ্থযাত্ৰীক কঢ়িয়াই নিয়া বাহন বালতাল পথ আৰু পেহেলগামত উপস্থিত হ'ব। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা লাখ লাখ ভক্তই এইবাৰ অমৰনাথৰ এই পবিত্ৰ গুহাত একেলগ হোৱাৰ সম্ভাৱনা আছে। ভক্তসকলৰ সুবিধা তথা সুৰক্ষাৰ বাবে অতিৰিক্ত নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ পূৰ্বে উপ-ৰাজ্যপাল মনোজ সিনহাই জম্মুৰ ভাগৱতী নগৰৰ বেছ কেম্পৰ পৰা শ্ৰীঅমৰনাথজী পবিত্ৰ গুহা অভিমুখে ৰাওনা হোৱা প্ৰথম দলটো পতাকা জোকাৰি শুভাৰম্ভ কৰে। তীৰ্থযাত্ৰীসকলক আদৰাৰ বাবে দক্ষিণ কাশ্মীৰৰ আৰক্ষী উপ-মহাপৰিদৰ্শক জাভিদ ইকবাল মাটু, কুলগামৰ উপায়ুক্ত আথাৰ আমিন খানৰ লগতে কুলগামৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ছাহিল ছাৰাংগন, দক্ষিণ কাশ্মীৰৰ নৱযুগ সুৰংগৰ সমীপত উপস্থিত থাকে।

ooooo

পশ্চিম আফ্ৰিকাৰ মালীৰ কেইচ নগৰৰ ডায়মণ্ড চিমেণ্ট কাৰখানাত কৰ্মৰত তিনিগৰাকী ভাৰতীয় নাগৰিকৰ অপহৰণৰ ঘটনা সন্দৰ্ভত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে উদ্বেগ প্ৰকাশ কৰিছে। চলিত মাহৰ পহিলা দিনটোত অস্ত্ৰধাৰী দুৰ্বৃত্তৰ এটা দলে চিমেণ্ট কাৰখানাটোত আক্ৰমণ চলাই ভাৰতীয় নাগৰিককেইজনক বলপূৰ্বকভাৱে বন্দী কৰে। মন্ত্ৰালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰিছে যে মালীৰ পশ্চিম আৰু মধ্য খণ্ডৰ বহু সামৰিক আৰু চৰকাৰী প্ৰতিষ্ঠানতো সন্ত্ৰাসবাদীয়ে আক্ৰমণ কৰিছে। বামাক'ত থকা ভাৰতীয় ভাৰতৰ দূতাৱাসে মালীৰ সংশ্লিষ্ট কৰ্তৃপক্ষক, স্থানীয় আইন প্ৰয়োগকাৰী সংস্থাৰ লগতে ডায়মণ্ড চিমেণ্ট কাৰখানাৰ পৰিচালন বিষয়াৰ সৈতে যোগাযোগ অব্যাহত ৰাখিছে। অপহৃত ভাৰতীয় নাগৰিকৰ পৰিয়ালৰ সৈতেও যোগাযোগ ৰখা হৈছে। ভাৰতে এই হিংসাত্মক কাৰ্যক তীব্ৰ গৰিহণা দিয়ে আৰু নাগৰিকসকলক উদ্ধাৰৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ মালী চৰকাৰক আহ্বান জনাইছে।

ooooo

পাকিস্তানৰ উত্তৰ-পশ্চিম খাইবাৰ পখতুনখোৱা প্ৰদেশত কালি নিৰাপত্তাৰক্ষীক লক্ষ্য কৰি পথৰ কাষত সংঘটিত এক শক্তিশালী বোমা বিস্ফোৰণত প্ৰাদেশিক চৰকাৰৰ জ্যেষ্ঠ বিষয়াকে ধৰি কমেও চাৰিজন লোক নিহত হোৱাৰ লগতে **১১**জন লোক আহত হয়। বজাউৰ জিলাত এজন সহকাৰী আয়ুক্তকে ধৰি দুজন উচ্চপদস্থ চৰকাৰী বিষয়া কঢ়িয়াই অনা এখন বাহনৰ সৈতে এটা ইম্প্ৰভাইজড বিস্ফোৰক ডিভাইচৰ খুন্দাৰ ফলত এই বিস্ফোৰণ সংঘটিত হয়। বিস্ফোৰণত দুয়োজন বিষয়াৰ লগতে তেওঁলোকৰ লগত থকা দুজন আৰক্ষী থিতাতে নিহত হয়। তেহৰিক-ই-তালিবান পাকিস্তানে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰে।

ooooo

নিয়োগৰ সৈতে জড়িত উদগণি আঁচনিৰ অধীনত অহা ৪ বছৰত কৰ্মচাৰী আৰু মালিকসকলক ১ লাখ কোটি টকা প্ৰদান কৰা হ'ব। কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মাণ্ডৱিয়াই কালি নতুন দিল্লীত সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি কয়, যে চৰকাৰৰ নিয়োগকেন্দ্ৰিক নীতিৰ ফলস্বৰূপে এই আঁচনিখন ৰূপায়ণ কৰা হৈছে। তেওঁ কয়, যে এই আঁচনিৰ অধীনত নতুনকৈ নিয়োগ লাভ কৰা যিকোনো

যুৱকক বছৰত দুবাৰকৈ ৭ হাজাৰ ৫০০ টকাকৈ দিয়া হ'ব। শ্ৰীমাণ্ডাৱিয়াই লগতে দেশৰ যুৱক-যুৱতীসকলৰ নিয়োগ নিশ্চিত কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীৰ ৫ বছৰীয়া কাৰ্যসূচীতো আলোকপাত কৰে।

০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত এজবেষ্টনত অনুষ্ঠিত দ্বিতীয় টেষ্টৰ কালি প্ৰথম দিনা ভাৰতে নিজৰ প্ৰথম ইনিংছত ৫ উইকেটৰ বিনিময়ত ৩১০ ৰাণ সংগ্ৰহ কৰে। অধিনায়ক শুভমন গিলে তেওঁৰ টেষ্ট জীৱনৰ সপ্তমটো শতৰাণ সংগ্ৰহ কৰি ১১৪ ৰাণ কৰি বেট ধৰি আছে। ৰবীন্দ্ৰ জাদেজা ৪১ ৰাণ কৰি অপৰাজিত হৈ আছে। ইয়াৰ আগতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ভাৰতীয় অপেনাৰদ্বয় য়শস্বী জয়ছোৱাল আৰু কে এল ৰাহুলে সতৰ্কতাৰে ইনিংছ আৰম্ভ কৰে যদিও ৰাহুল মাত্ৰ ২ ৰাণ কৰি আউট হয়। ইয়াৰ পাছত কৰুণ নায়াৰৰ সৈতে লগ লাগি য়শস্বী জয়ছোৱালে দ্বিতীয় উইকেটৰ যুটীত ৮০ ৰাণ যোগ দিয়ে। কৰুণ নায়াৰ ভোজন বিৰতিৰ থিক পূৰ্বে ৩১ ৰাণ কৰা অৱস্থাত আউট হয়। য়শস্বী জয়ছোৱালে সুন্দৰ খেল প্ৰদৰ্শন কৰি ৮৭ ৰাণত আউট হয়। ঋষভ পন্ত ২৫ ৰাণত আউট হয়। নীতিশ কুমাৰ ৰেড্ডীয়ে মাত্ৰ এক ৰাণহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পাছত অধিনায়ক গীল আৰু ৰবীন্দ্ৰ জাদেজাই সুন্দৰভাৱে খেলি ষষ্ঠ উইকেটৰ যুটীত অপৰাজিত ৯৯ ৰাণ যোগ দিয়ে। ইংলেণ্ডৰ হৈ ৱকছে দুটা আৰু কাৰছ্, ষ্টোকছ আৰু বছিৰে এটাকৈ উইকেট অধিকাৰ কৰে।

০০০০০

সমাপ্ত